# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 12-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

———————————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই, আজি **মুখ্যমন্ত্ৰীৰ গোলকীয় প্ৰতিভাৰ বাবে বিদেশী ভাষাৰ উদ্যোগ** শীৰ্ষক কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। গুৱাহাটীৰ উত্তৰ-পূব দক্ষতা কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত  এই আঁচনিখন মুকলি কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ যুৱক-যুৱতীসকলক আঁচনিখনৰ জৰিয়তে বিদেশী ভাষাৰ দক্ষতাৰে পাৰ্গত কৰি তুলি বিশ্বজুৰি কৰ্মৰ সুযোগ মুকলি কৰিব বুলি আশা প্ৰকাশ কৰে। এই আঁচনিৰ জৰিয়তে প্ৰথম পৰ্যায়ত ১৮০ গৰাকী যুৱক-যুৱতীয়ে সাংস্কৃতিক প্ৰশিক্ষণ, নিযুক্তি আৰু আৰ্থিক সাহায্যৰ লগতে জাপানী ভাষাৰ প্ৰশিক্ষণ লাভ কৰিব। ইয়াৰ জৰিয়তে বিভিন্ন খণ্ডত ভাৰত-জাপানৰ সহযোগিতা অধিক গভীৰ আৰু অসম আৰু জাপানৰ মানুহৰ মাজত সম্পৰ্ক বৃদ্ধি পাব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে এই আঁচনিখন গুৱাহাটীৰ উত্তৰ-পূব দক্ষতা কেন্দ্ৰৰ দ্বাৰা পৰিচালিত হ'ব আৰু ৰাজ্যৰ যুৱক-যুৱতীয়ে জাপানৰ কৰ্মক্ষেত্ৰত নিয়োগৰ সুযোগ লাভ কৰিব পৰাকৈ প্ৰশিক্ষণ দিয়া হ'ব।

অনুষ্ঠানৰ পাছত মুখ্যমন্ত্ৰীয়ে সাংবাদিকক সম্বোধন কৰি কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়, যে দেশত অস্বাভাৱিকহাৰত মুছলমানৰ সংখ্যা বৃদ্ধি হৈছে। ৰাজ্যত মুছলমানৰ জনসংখ্যা ৩৮ শতাংশ বৃদ্ধি হোৱাৰ সমান্তৰালকৈ মাজুলীত এই পৰিসংখ্যা ১০০ শতাংশ। পৰৱৰ্তী লোকপিয়লত এই তথ্য পোহৰলৈ আহিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

একে সময়তে জনজাতিকৰণৰ বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে বিগত তিনি বছৰ ধৰি নিৰন্তৰভাৱে বিষয়টোত কাম কৰি আছে। এই বিষয়সমূহ ২৫ নৱেম্বৰত অসম বিধানসভাৰ মজিয়াত মন্ত্ৰীসভা গোটৰ প্ৰতিবেদন উপস্থাপন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জনায়।

০০০০০

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এছ আই টিয়ে প্ৰয়াত শিল্পীগৰাকীৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত বিভিন্নজনক সোধাপোছা কৰি ভাষ্য গ্ৰহণ কৰি আহিছে। আজি বিশেষ তদন্তকাৰী গোটটোৱে জুবিন গাৰ্গে পাতি লোৱা ভাতৃ অৰুণ গাৰ্গৰ ভাষ্য গ্ৰহণ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা সাতোজনৰে শীঘ্ৰে আৰক্ষীৰ জিম্মাৰ ম্যাদৰ অন্ত পৰিব। এক অক্টোবৰত গ্ৰেপ্তাৰ হোৱা  শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মা ১৪ দিনে আৰক্ষীৰ জিম্মাত আছে। আনহাতে ৮ অক্টোবৰত গ্ৰেপ্তাৰ হোৱা সন্দীপন গাৰ্গৰো আৰক্ষীৰ জিম্মা পৰহিলৈ অন্ত পৰিব। একেদৰে ১০ অক্টোবৰত গ্ৰেপ্তাৰ হৈ পাঁচদিনৰ আৰক্ষীৰ জিম্মাত থকা জুবিন গাৰ্গৰ দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰো পৰহিলৈ আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰিব। তিনি অক্টোবৰত গ্ৰেপ্তাৰ হোৱা শেখৰ জ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তৰ ১৪ দিনৰ আৰক্ষী জিম্মাৰ ম্যাদ ১৬ অক্টোবৰত অন্ত পৰিব। আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ লগে লগে আটাইকে ন্যায়িক জিম্মা তথা কাৰাগাৰলৈ প্ৰেৰণ কৰা হ'ব। অৱশ্যে কোন কাৰাগাৰত ৰখা হ'ব সেই বিষয়ে এতিয়াও প্ৰকাশ কৰা নাই।

আনহাতে জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত য়'টত থকা ছিংগাপুৰৰ  কেইবাগৰাকীও প্ৰবাসী অসমীয়াই সোনকালেই জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত সহযোগিতা আগবঢ়াব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। তেওঁ জনোৱা অনুসৰি এছ আই টিৰ চমনৰ পাছতে কেইবাগৰাকীও প্ৰবাসী অসমীয়াই ইতিবাচক সঁহাৰি জনাইছে। ছিংগাপুৰ আৰক্ষীয়েও জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰটো গুৰুত্ব সহকাৰে লৈ তদন্ত চলাই আছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে কয়।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গক সোঁৱৰণ কৰি ধেমাজি জিলাৰ গোগামুখত আজি শিল্পীজনৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত হয়। আদ্যশ্ৰাদ্ধত বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষী, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে অজস্ৰজনে শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। সৰ্বধৰ্ম প্ৰাৰ্থনাৰে আৰম্ভ হোৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠানতে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি হাজাৰৰো অধিক লোকে ৰাজহুৱা স্বাক্ষৰ কৰি দোষীক অনতিপলমে শাস্তিৰ দাবী জনায়। একেটা অনুষ্ঠানতে গোগামুখবাসীৰ মাজত এহেজাৰ ২০০ নাহৰ পুলি বিতৰণ কৰা হয়। শিক্ষামন্ত্ৰী তথা ধেমাজিৰ বিধায়ক ৰণোজ পেগুৱে নাহৰ পুলি ৰোপণ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে।

একেদৰে শিৱসাগৰ জুবিন গাৰ্গ ফেন ক্লাবে জয়সাগৰত নাহৰ হাবিৰ সৃষ্টি কৰাৰ এক বিশেষ প্ৰয়াস গ্ৰহণ কৰিছে। পৰিৱেশ সংৰক্ষণ আৰু জুবিন গাৰ্গৰ সপোন বাস্তৱায়িত কাৰাৰ বাবে জুবিন গাৰ্গ ফেন ক্লাবৰ সদস্য আৰু বহু উৎসাহী লোকে একেলগে জয়সাগৰত ২০০ নাহৰ গছৰ পুলি ৰোপণ কৰে।

০০০০০

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যান বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সখী এক্সপ্ৰেছ আঁচনিৰ অধীনত ধেমাজী আৰু বৰদলনি উন্নয়ন খণ্ডৰ জীৱিকা সখী, সংযোগ সখী, বেংক সখী, বীমা সখী, কৃষি সখী আৰু পশু সখী কৰ্মীসকলৰ মাজত ৯৬ খন স্কুটি বিতৰণ কৰে। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ৰূপায়ণ কৰা এই আঁচনিৰ জৰিয়তে তৃণমূল পৰ্যায়ত কাম কৰা সখীসকলক আত্মসহায়ক গোটৰ কাম-কাজসমূহ সূচাৰুৰূপে ৰূপায়ণত সহায় কৰাৰ উপৰি আত্মনিৰ্ভৰ গাওঁ নিৰ্মাণৰ পথ প্ৰশস্ত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। ডাঃ পেগুৱে আজি বৰদলনি উন্নয়ন খণ্ডত অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ অধীনত কৰ্মৰত কেইবাটাও গ্ৰাম্য সংগঠনৰ প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ লগতে আত্মসহায়ক গোটসমূহৰ কাম-কাজৰো পৰ্যালোচনা কৰে।

০০০০০

ঐক্য, শান্তি আৰু সমন্বয়ৰ সংকল্পৰে শিলচৰৰ বংগ ভৱনত  কালিৰে পৰা অনুষ্ঠিত অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ তৃতীয় কাৰ্যনিৰ্বাহকৰ পূৰ্ণাংগ অধিবেশনৰ আজি সামৰণিৰ দিনা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ লগতে বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভাৰ সভাপতিয়ে এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰে।    ৰাজ্যসভাৰ সাংসদ কনাড পুৰকায়স্থই এই শোভাযাত্ৰাৰ শুভাৰম্ভ কৰা শোভাযাত্ৰাৰ আৰম্ভণিতে অসমবাসীৰ হিয়াৰ আমঠু সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। এই কাৰ্যসূচীত মন্ত্ৰী কৃষ্ণেন্দু পাল, শিলচৰৰ বিধায়ক দীপায়ন চক্ৰৱৰ্তীৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

সমাপ্ত